# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 18-12-2025

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

ooooo

১।  বি টি চিলৈ ২৫০ কোটি টকা আৱণ্টন, চাহ শ্ৰমিকক ভূমি প্ৰদানৰ বাবে ভূমি চিলিং সংশোধনকে ধৰি অসম মন্ত্ৰীসভাৰ কেইবাটাও সিদ্ধান্তত অনুমোদন।

২।  স্বচ্ছ নগৰীয়া প্ৰশাসনিক ব্যৱস্থাৰ জৰিয়তে পৌৰ নিগম আৰু নিকায়সমূহৰ ৰাজহ ৩০ শতাংশ বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত বাজপেয়ী ভৱনত প্ৰস্তুতি সভা সম্পন্ন।

৪।  ৰাতাবাৰী সমষ্টিৰ বিধায়ক বিজয় মালাকাৰৰ নাগৰিকত্বক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰলৈ জাননী।

***আৰু***

৫।  বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰা ১৫ জন লোকক নগাঁও জিলা প্ৰশাসনৰ ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগৰ নিৰ্দেশ।

ooooo

অসম মন্ত্ৰীসভাই বি টি চিলৈ ২৫০ কোটি টকা আবণ্টনৰ বাবে অনুমোদন জনাইছে। আজি দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে চাহ শ্ৰমিকক ভূমি প্ৰদানৰ বাবে ভূমি চিলিং সংশোধন কৰা সন্দৰ্ভত মন্ত্ৰীসভাই অনুমোদন জনোৱাৰ কথাও উল্লেখ কৰে। এই সংশোধনীৰ ফলত সংশ্লিষ্ট জিলাৰ আয়ুক্তসকলে ভূমি আবণ্টনৰ কামত আগবাঢ়িব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ধেমাজি জিলাৰ কাৰেং চাপৰিত চি আৰ পি এফৰ গ্ৰুপ চেণ্টাৰ স্থাপনৰ বাবে ৬০৭ বিঘা ভূমি আবণ্টনত মন্ত্ৰীসভাই অনুমোদন দিয়ে। মিছন বসুন্ধৰাৰ জৰিয়তে লখিমপুৰ, কামৰূপ,

বৰপেটা, ধুবুৰী, গোৱালপাৰা, দৰঙৰ ২২৪ টা পৰিয়াল আৰু কামৰূপ, বৰপেটা, গোৱালপাৰা, গোলাঘাট, দৰঙৰ ৮৪ টা পৰিয়াললৈ ভূমি আবণ্টন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

-বাইট-

ইয়াৰ লগতে দৃষ্টিহীন বিশ্বকাপ ক্ৰিকেট বিজয়ী ভাৰতীয় দলৰ সদস্যা চিমু দাসক শাৰীৰিক প্ৰশিক্ষক পদত নিযুক্তি দিয়াৰ বাবে মন্ত্ৰীসভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। আজি মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভতো বিভিন্ন বিষয়ে আলোচনা কৰে।

০০০০০

জি আই এছ্ ভিত্তিক সম্পত্তিৰ মানচিত্ৰকৰণ, ডিজিটেল আত্ম মূল্যায়ন আৰু স্বচ্ছ ব্যৱস্থাৰ জৰিয়তে বৰ্তমান পৌৰ নিগম আৰু নিকায়সমূহৰ ৰাজহ ৩০ শতাংশ বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দিছপুৰৰ লোকসেৱা ভৱনৰ চৌহদত আজি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ৪৩ গৰাকী নগৰীয়া কাৰিকৰী বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্যত বৰ্তমান ৩ খন পৌৰ নিগম আছে আৰু নতুনকৈ বহুকেইটা অঞ্চলক পৌৰ এলেকা বা নগৰাঞ্চল হিচাপে চিনাক্ত কৰা হৈছে। খোৱাপানীৰ সমস্যা, কৃত্ৰিম বান, জাৱৰ নিষ্কাষণ আদিকে ধৰি নগৰীয়া প্ৰশাসনসমূহে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰ্তমান সময়ত কিউ আৰ কোডৰ জৰিয়তে ধন আদায়, এছ এম এছ্ এলাৰ্ট আদিৰ দৰে ব্যৱস্থাই পৌৰ প্ৰশাসনত স্বচ্ছতা আনিছে।

**বাইট (চি এম)**

আজি নিযুক্তি লাভ কৰা সকলৰ ভিতৰত ১৬ গৰাকী মেকানিকেল অভিযন্তা, ১১ গৰাকী বৈদ্যুতিক অভিযন্তা, ৮ গৰাকী জনস্বাস্থ্য অভিযন্তা, ৬ গৰাকী পৰিৱেশিক অভিযন্তা আৰু দুগৰাকী ব্যৱহাৰিক অভিযন্তা আছে। অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত আজি বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি অন্যান্য মন্ত্ৰী, বিধায়ক তথা দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰ সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে সকলো দিশ সামৰি আলোচনা কৰা হয়।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ গুৱাহাটীত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্ত-গাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। এই অত্যাধুনিক বিমান বন্দৰ টাৰ্মিনেলে বছৰি ১ কোটি ৩১ লাখ যাত্ৰীক সেৱা আগবঢ়াব। সেইদিনাই তেওঁ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীগৰাকী প্ৰথমবাৰৰ বাবে এই কাৰ্যালয়লৈ অহাটো ৰাজ্যিক বিজেপিৰ বাবে সৌভাগ্যৰ কথা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে কৰ্মকৰ্তাসকলে ৰোড শ্ব’ৰ আয়োজন কৰিব বুলিও ড০ শৰ্মাই জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী মোদীয়ে ২১ ডিচেম্বৰত গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব বুলি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে এখন জাননীযোগে প্ৰকাশ কৰিছে।

শ্ৰীমোদী সেইদিনাই নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

ooooo

ৰাতাবাৰী সমষ্টিৰ বিজেপিৰ বিধায়ক বিজয় মালাকাৰৰ নাগৰিকত্বক লৈ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে বিধায়কগৰাকীৰ লগতে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰলৈ জাননী জাৰি কৰিছে। ন্যায়ালয়ে চাৰি সপ্তাহৰ ভিতৰত তিনিওটা পক্ষকে উত্তৰ দিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, বিধায়ক মালাকাৰ ভাৰতীয় নাগৰিক নহয় বুলি দুজন লোকে জিলা আয়ুক্ত, সীমান্ত শাখাৰ আৰক্ষী অধীক্ষক আৰু নিৰ্বাচন আয়োগৰ ওচৰত অভিযোগ দাখিল কৰিছিল। ব্যক্তি দুজনে পাছত অভিযোগ দাখিল কৰাৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ তুলি উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিছিল। আজি শুনানী সন্দৰ্ভত এগৰাকী অধিবক্তাই এইদৰে কয়।

-বাইট-

ooooo

বিদেশী ন্যায়াধীকৰণে নগাঁও জিলাৰ ১৫ জন লোকক বিদেশী বুলি ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এটা নিৰ্দেশযোগে লোককেইজনক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ জাননী জাৰি কৰিছে। এই নিৰ্দেশ অমান্য কৰিলে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ ঠিকনা দিয়া এই লোককেইজনৰ ৰাজ্যৰ অন্যান্য ঠাইতো ঠিকনা আছে।

ooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি বিধান সভা সমষ্টিত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক বিনামূলীয়া চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। নৰৰত্ন উচ্চ মাধ্যমিক বিদ্যালয়ত এই উপলক্ষ্যে আয়োজিত এটা অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিয়ে দুৰণিবতীয়া ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ অহা-যোৱা কৰাত সহায় কৰিব আৰু ইয়াৰ ফলত তেওঁলোকৰ বিদ্যালয়ত উপস্থিতিৰ হাৰ বৃদ্ধি পাব।

ooooo

কামৰূপ জিলাৰ আমিনগাঁৱত আজি **যক্ষ্মা মুক্ত পঞ্চায়ত** শীৰ্ষক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। কামৰূ জিলা যক্ষ্মা নিৰাময় বিভাগৰ উদ্যোগত আয়োজন কৰা এই প্ৰশিক্ষণ শিবিৰত বিশ্ব স্বাস্থ্য সংস্থাৰ কেইবাগৰাকী

প্ৰশিক্ষকে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সভাপতিত্ব কৰা এই শিবিৰত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু জিলা যুটীয়া স্বাস্থ্য সঞ্চালক উপস্থিত থাকে। জিলাখনৰ ১৩৯টা পঞ্চায়তৰ ভিতৰত ২৮টা পঞ্চায়তক **যক্ষ্মা মুক্ত পঞ্চায়ত** হিচাপে ঘোষণা কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (দেৱ কুমাৰ মিশ্ৰ)**

ooooo

মৰিগাঁও জিলাত কাইলৈৰ পৰা সাতদিনীয়াকৈ ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। মৰিগাঁও জিলা কাৰ্যালয় চৌহদৰ পন্যাগাৰত মৰিগাঁও জিলা নিৰ্বাচনী বিষয়াৰ অধীনত এই প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। ইলেকট্ৰনিকছ্ কৰ্প'ৰেচন অৱ ইণ্ডিয়া লিমিটেডৰ ১২ জন অভিযন্তাই এই সমগ্ৰ পৰীক্ষণ প্ৰক্ৰিয়া তদাৰক কৰিব। অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মাক প্ৰথম পৰ্যায়ৰ পৰীক্ষণৰ পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। পৰীক্ষণ প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত প্ৰতিদিনে পুৱা ৯ বজাৰ সন্ধিয়া ৭ বজালৈ পৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব।

ooooo

উত্তৰ-পূব ভাৰতৰ পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণকাৰী গোষ্ঠী নেচাৰ্ছ বেকনে ধেমাজি জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত আজিৰে পৰা পবা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। নেচাৰ্ছ বেকনৰ সঞ্চালক তথা পৰিৱেশকৰ্মী সৌম্যদ্বীপ দত্তই আজি ধেমাজিৰ আৱৰ্ত ভৱনত এখন সংবাদমেলত জিলাখনৰ পবা অৰণ্যৰ সংৰক্ষণৰ গুৰুত্ব আৰু এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ কৰণীয় সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে পবা দিৱস শীৰ্ষক বিশেষ কাৰ্যসূচী গ্ৰহণৰ কথা জানিবলৈ দিয়ে। ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই দিৱসৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত নেচাৰ্ছ বেকনৰ ধেমাজি জিলাৰ সমন্বয়ক যুগল সন্দিকৈ, বন্যপ্ৰাণী ফটোগ্ৰাফাৰ নবীন কামানকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

ooooo

ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত নিখিল ভাৰত কংগ্ৰেছৰ মুখপাত্ৰ আৰু মিডিয়া পেনেলিষ্ট বাছনি প্ৰক্ৰিয়াৰ অধীনত আজি প্ৰথম পৰ্য্যায়ৰ সাক্ষাৎকাৰ গুৱাহাটীৰ লগতে ৰাজ্যৰ ছখন জিলাত অনুষ্ঠিত হয়। তিনি শতাধিক প্ৰাৰ্থীয়ে আজি এই সাক্ষাৎকাৰ প্ৰক্ৰিয়াত অংশ লয়। গুৱাহাটীত দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত এই কাৰ্য্যসূচীত প্ৰাক্তন সাংসদ ৰিপুণ বৰা, ৰাম প্ৰসাদ শৰ্মা আৰু প্ৰাক্তন বিধায়ক মোহন বসুমতাৰী উপস্থিত থাকে।

ooooo

গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আজি আয়োকন ৰাকাথন শীৰ্ষক স্বাস্থ্য সজাগতা পদযাত্ৰা অনুষ্ঠিত হয়। গুৱাহাটীৰ কেইবাগৰাকী চিকিৎসকে অংশ লোৱা এই পদযাত্ৰাত বলীউদৰ অভিনেতা তথা শাৰীৰিক সুস্থতাৰ হকে সজাগতাৰ সৃষ্টি কৰি অহা মিলিন্দ সুমনে নেতৃত্ব দিয়ে। কাৰ্য্যসূচীত দিয়া ভাষণত অভিনেতাগৰাকীয়ে ফিটনেছ বা শাৰীৰিক সুস্থতাক জীৱনৰ অবিচ্ছেদ্য অংশ কৰি ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অস্থি পৰিচৰ্যা বিশেষকৈ বয়োজ্যেষ্ঠসকলৰ স্বাস্থ্য সেৱাৰ মূল উপাদান বুলি প্ৰকাশ কৰে। ভাৰতীয় অস্থি চিকিৎসা সংস্থাৰ ৭০ সংখ্যক এই পূৰ্ণাংগ অধিৱেশনত দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ৰাজ্যৰ প্ৰতিখন জিলাত চৰকাৰে চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰিছে আৰু ইতিমধ্যে ১৫ খন চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰি তোলা হৈছে। ২০৩০ চনৰ ভিতৰত ৰাজ্যত ২৫ খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে আজীৱন উদাত্ত কণ্ঠেৰে মাত মাতি জাতীয় চেতনাৰ সঞ্চাৰ কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী, কবি, নাট্যকাৰ, গায়ক, গদ্য লেখক, সংবাদসেৱী ৰায়চৌধুৰীক তেজোদীপ্ত ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰকাৰী কৰ্ম আৰু সৃষ্টিৰাজিৰ বাবে **অসম কেশৰী** উপাধিৰে বিভূষিত কৰা হৈছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৬৫ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত ৰায়চৌধুৰীয়ে তুমি, বীণা, অনুভূতি, বেদনাৰ উল্কা আদি কাব্যপুথিৰ উপৰি কেইবাখনো নাটক ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি অসমৰ জাতীয় জীৱনৰ বৰেণ্য সত্ত্বা অসম কেশৰীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। স্বাধীনতা সংগ্ৰামৰ পৰা অসমীয়া ভাষা সাহিত্য তথা সমাজ-সংস্কৃতিলৈ ৰায়চৌধুৰীয়ে অমূল্য অৱদান আগবঢ়াই গৈছে বুলি তেওঁ উল্লেখ কৰে। অসম কেশৰীৰ স্বদেশ প্ৰেমৰ আদৰ্শই এখন সমৃদ্ধ অসম গঢ়াৰ বাবে প্ৰতিটো প্ৰজন্মক উৎসাহিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্মদিন জাতীয় চেতনা দিৱস হিচাপে পালন কৰা হয়। বৰপেটা সাহিত্য সভাই আজি দিনজোৰা কাৰ্য্যসূচীৰে পালন কৰা এই দিৱসত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰক অসম অসম কেশৰী বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ উপ-সঞ্চালক ৰতন সাউদে অংশ লৈ ভাষণ দিয়ে।

ooooo

২০১৮ চনৰ ১৮ ডিচেম্বৰত মধুপুৰ সত্ৰত প্ৰতিষ্ঠা লাভ কৰা ভাৰতীয় নৃকূল গ্ৰন্থাগাৰ সংস্থাৰ অষ্টম প্ৰতিষ্ঠা দিৱস আজি ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ বাৰ্ষি গাঁৱৰ নামঘৰত পালন কৰা হয়। সাঁচীপাত, তুলাপাত, তালপাত আদি লিখিত পুথি নাইবা তথ্য আদি সুসংৰক্ষণৰ লক্ষ্যৰে নৃকূল গ্ৰন্থাগাৰ সংস্থাই নামঘৰ, সত্ৰ, শিক্ষানুষ্ঠান আদিত এনে সম্পদৰাজিৰ সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। সংস্থাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি নামঘৰ প্ৰাংগনত সাঁচী গছৰ পুলি ৰোপণ কৰা হয়।

ooooo

সমাপ্ত